# 2015

# LOGIC & PHILOSOPHY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

1. Give very short answer : 1×12=12

অতি চমু উত্তৰ দিয়া ঃ

(a) "The premises of an inductive inference offer certainty for the truth of the conclusion." — Is it true ?

"আগমন অনুমানৰ আশ্ৰয়বাক্যই সিদ্ধান্তৰ সত্যতাৰ নিশ্চয়তা সাব্যস্ত কৰে।" — এইটো সত্যনে ?

(b) Which of the the following statements is true ?

নিম্নোক্ত কোনটো উক্তি সত্য ?

(i) The law of causation is a material ground of induction.

কাৰ্যকাৰণ বিধি হৈছে আগমনৰ বস্তুগত ভিত্তি।

(ii) Observation and the law of causation are the formal grounds of induction.

নিৰীক্ষণ আৰু কাৰ্যকাৰণ বিধি হৈছে আগমনৰ আকাৰগত ভিত্তি।

(iii) Observation and experiment are the formal grounds of induction.

নিৰীক্ষণ আৰু পৰীক্ষণ হৈছে আগমনৰ আকাৰগত ভিত্তি।

(iv) None of the above statements is true.

ওপৰোক্ত কোনো এটা উক্তিয়েই সত্য নহয়।

(c) "Observation is finding a fact and experiment is making one." — Who did say this statement ?

"নিৰীক্ষণ হৈছে ঘটনাৰ আৱিস্কাৰ আৰু পৰীক্ষণ হৈছে ঘটনাৰ সৃষ্টি।" — এই উক্তিটো কোনে কৈছিল ?

(d) Which one of the following statement is incorrect ?

নিম্নোক্ত কোনটো উক্তি অশুদ্ধ ?

(i) Observation is a perception with a definite purpose in view.

নিৰীক্ষণ হৈছে নিৰ্দিষ্ট উদ্দেশ্যেৰে কৰা এক প্ৰত্যক্ষ।

(ii) Observation is a perception of natural events.

নিৰীক্ষণ হৈছে প্ৰাকৃতিক ঘটনাৰ প্ৰত্যক্ষ।

(iii) Observation is not a perception of events under natural conditions.

নিৰীক্ষণ প্ৰাকৃতিক পৰিবেশৰ মাজত কৰা কোনো ঘটনাৰ প্ৰত্যক্ষ নহয়।

(iv) In observation, the natural events are not fully under the control of the observer.

নিৰীক্ষণত প্ৰাকৃতিক ঘটনাবোৰ নিৰীক্ষক গৰাকীৰ সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন নহয়।

(e) Which is the last stage of hypothesis suggested by Mill's definition of hypothesis?

মিলৰ প্ৰকল্পৰ সংজ্ঞা অনুসৰি প্ৰকল্পৰ শেষ স্তৰটো কি?

(f) What is the meaning of the condition of 'testability' of a valid hypothesis?

এটা বৈধ প্ৰকল্পৰ 'সত্যাপনীয়তা'ৰ চৰ্ত টোৰ অৰ্থ কি?

(g) "When heat is applied to ice, then ice melts. When heat is not applied to ice, then ice does not melt. Therefore, heat is the cause of the melting of ice."

Name the experimental method employed in the above argument.

"বৰফত তাপ প্ৰয়োগ কৰিলে বৰফ গলি যায়। তাপ প্ৰয়োগ নকৰিলে বৰফ গলি নাযায়। গতিকে তাপেই বৰফ গলি যোৱাৰ কাৰণ।"

ওপৰোক্ত যুক্তিটোত প্ৰয়োগ কৰা পৰীক্ষণমূলক পদ্ধতিটোৰ নাম লিখা।

(h) "The possibility of the doctrine of the plurality of causes cannot frustrate the method of agreement." — Is it correct ?

"নানা কাৰণবাদৰ সম্ভাৱনীয়তাই অন্বয়ী প্ৰণালীক নিস্ফল কৰিব নোৱাৰে।" — এইটো শুদ্ধনে?

(i) Who among the following philosophers is not an idealist ?

তলত উল্লিখিত দাৰ্শনিকসমূহৰ ভিতৰত কোনগৰাকী ভাৱবাদী নহয়?

(i) Berkeley

বাৰ্কলি

(ii) G. E. Moore

জি, ই, মুৰ

(iii) Bradley

ব্ৰেডলী

(j) Name the philosopher associated with the statement — "Thought and Reality are at bottom identical".

"চিন্তা আৰু সত্তা পৰিশেষত অভিন্ন" — এই উক্তিটোৰ লগত জড়িত দাৰ্শনিক-গৰাকীৰ নাম উল্লেখ কৰা।

(k) What is the meaning of the Latin word 'Religare' ?

লেটিন ভাষাৰ 'Religare' শব্দটোৰ অৰ্থ কি?

(l) Mention *any one* similarity between Religion and Morality.

ধৰ্ম আৰু নৈতিকতাৰ মাজত থকা *যিকোনো এটা* সাদৃশ্য উল্লেখ কৰা।

2. State *two* points of difference between deduction and induction. 1×2=

নিগমন আৰু আগমনৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

3. Define bad analogy with suitable example. 1+1

উপযুক্ত উদাহৰণসহ কুসাদৃশ্যমূলক বা দুঃসাদৃশ্যমূলক অনুমানৰ সংজ্ঞা দিয়া।

4. State *any two* characteristics of analogy. 2

সাদৃশ্যমূলক অনুমানৰ *যিকোনো দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

5. Define material cause with an example. 1+1=2

উদাহৰণসহ উপাদান কাৰণৰ সংজ্ঞা দিয়া।

6. Briefly explain *any one* criticism against Mill's paradox of induction. 2

মিলৰ আগমনৰ বিৰোধাভাসৰ বিৰুদ্ধে *যিকোনো এটা* সমালোচনা চমুকৈ ব্যাখ্যা কৰা।

***Or / নাইবা .***

Why Mill's paradox of induction is said to commit the fallacy of petitio principii or fallacy of arguing in a circle ? 2

মিলৰ আগমনৰ বিৰোধাভাসত কিয় চক্রক দোষ ঘটা বুলি কোৱা হয়?

7. What do you mean by a working hypothesis ? 2

কাৰ্যকৰী প্ৰকল্প বুলিলে কি বুজা?

8. Briefly explain *any one* condition of a valid hypothesis with the help of a suitable example. 2

উপযুক্ত উদাহৰণৰ সহায়ত বৈধ প্ৰকল্পৰ *যিকোনো এটা* চৰ্ত চমুকৈ ব্যাখ্যা কৰা।

9. Why do some logicians regard the method of agreement as a method of single agreement ? 2

কিছুমান তৰ্কবিদে অন্বয়ী প্ৰণালীক কিয় একান্বয়ী প্ৰণালী বুলি বিচাৰ কৰে?

10. Give a concrete example of joint method of agreement and difference.

মিশ্ৰ অন্বয়ী-ব্যতিৰেকী প্ৰণালীৰ এটা বাস্তৱ উদাহৰণ দিয়া।

11. What are primary qualities ? Give example. 1+1=

মুখ্য গুণ মানে কি? উদাহৰণ দিয়া।

12. Briefly express *any two* characteristics of objective idealism.

বস্তুনিষ্ঠ ভাৱবাদৰ *যিকোনো দুটা* বৈশিষ্ট্য চমুকৈ প্ৰকাশ কৰা।

***Or / নাইবা***

Briefly express *any two* points of criticism against objective idealism. 2

বস্তুনিষ্ঠ ভাৱবাদৰ বিৰুদ্ধে *যিকোনো দুটা* সমালোচনা চমুকৈ প্ৰকাশ কৰা।

13. State *any two* essential characteristics of religion. 2

ধৰ্মৰ *যিকোনো দুটা* মূল বৈশিষ্ট্য উল্লেখ কৰা।

14. What is induction ? State *two* differences between deduction and induction. 2+2=4

আগমন কাক বোলে? নিগমন আৰু আগমনৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

15. "All inferences are analogical at bottom." — Explain the significance of this remark. 4

"সকলো প্ৰকাৰৰ অনুমানেই মূলতঃ সাদৃশ্যানুমানভিত্তিক।" — এই মন্তব্যটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

16. What is a condition ? Briefly explain positive and negative condition with the help of suitable example. 1+3=4

উপকাৰণ মানে কি? উপযুক্ত উদাহৰণৰ সহায়ত অনুকূল বা সদৰ্থক আৰু প্ৰতিকূল বা নঞৰ্থক উপকাৰণৰ বিষয়ে চমু ব্যাখ্যা আগবঢ়োৱা।

17. What do you mean by fallacy of mal-observation ? Distinguish between individual mal-observation and universal mal-observation with the help of suitable example. 1+3=4

ভ্ৰান্ত পৰ্যৱেক্ষণ দোষ বুলিলে কি বুজা? উপযুক্ত উদাহৰণৰ সহায়ত ব্যক্তিগত ভ্ৰান্ত পৰ্যবেক্ষণ আৰু সাৰ্বজনীন ভ্ৰান্ত পৰ্যৱেক্ষণৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

***Or / নাইবা***

Distinguish between fallacy of non-observation of essential instances and fallacy of non-observation of essential circumstances with the help of suitable example. 4

উপযুক্ত উদাহৰণৰ সহায়ত আৱশ্যকীয় দৃষ্টান্তৰ অনবেক্ষণ দোষ আৰু আৱশ্যকীয় পাৰিপাৰ্শ্বিক অৱস্থাৰ অনবেক্ষণ দোষৰ মাজত পাৰ্থক্য নিৰূপণ কৰা।

18. Distinguish between explanatory hypothesis and descriptive hypothesis. 4

ব্যাখ্যামূলক প্ৰকল্প আৰু বৰ্ণনামূলক প্ৰকল্পৰ মাজত পাৰ্থক্য নিৰূপণ কৰা।

19. What is a crucial instance? Briefly explain a crucial instance obtained by experiment with the help of a suitable example. 2+2=4

চৰম দৃষ্টান্ত বা নিৰ্ণায়ক দৃষ্টান্ত মানে কি? উপযুক্ত উদাহৰণৰ সহায়ত পৰীক্ষণলব্ধ চৰম বা নিৰ্ণায়ক দৃষ্টান্তৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

20. State *two* advantages and *two* disadvantages of the method of difference. 2+2=4

ব্যতিৰেকী প্ৰণালীৰ *দুটা* সুবিধা আৰু *দুটা* অসুবিধা উল্লেখ কৰা।

***Or / নাইবা***

State *two* advantages and *two* disadvantages of the method of residues. 2+2=4

পৰিশেষ প্ৰণালীৰ *দুটা* সুবিধা আৰু *দুটা* অসুবিধা উল্লেখ কৰা।

21. What do you mean by naive realism? State *any two* differences between naive realism and scientific realism. 2+2=4

সৰল বাস্তৱবাদ বুলিলে কি বুজা? সৰল বাস্তৱবাদ আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজত থকা *যিকোনো দুটা* পাৰ্থক্য উল্লেখ কৰা।

*Or* / *নাইবা*

What do you mean by naive realism ? Briefly express *any two* points of criticism against this type of realism. 2+2=4

সৰল বাস্তৱবাদ বুলিলে কি বুজা? এইপ্ৰকাৰ বাস্তৱবাদৰ বিৰুদ্ধে *যিকোনো দুটা* সমালোচনা চমুকৈ প্ৰকাশ কৰা।

22. Briefly express *any four* characteristics of naive realism. 4

সৰল বাস্তৱবাদৰ *যিকোনো চাৰিটা* বৈশিষ্ট্য চমুকৈ প্ৰকাশ কৰা।

*Or* / *নাইবা*

Briefly express *any four* characteristics of scientific realism. 4

বৈজ্ঞানিক বাস্তৱবাদৰ *যিকোনো চাৰিটা* বৈশিষ্ট্য চমুকৈ প্ৰকাশ কৰা।

23. What is habitual action ? Why is this type of action regarded as object of moral judgement ? 2+2=4

অভ্যাসজনিত ক্ৰিয়া মানে কি? এই প্ৰকাৰৰ ক্ৰিয়াক কিয় নৈতিক বিচাৰৰ বিষয়বস্তু হিচাপে বিবেচনা কৰা হয়?

24. Define the method of agreement in your own words and give a concrete example of this method where we proceed from effect to cause. Why is this method called pre-eminently a method of observation ? 2+2+2=6

তোমাৰ নিজৰ ভাষাত অন্বয়ী প্ৰণালীৰ সংজ্ঞা দিয়া আৰু এই পদ্ধতিটোৰ এনে এটা বাস্তৱ উদাহৰণ দিয়া য'ত আমি কাৰ্যৰ পৰা কাৰণলৈ অগ্ৰসৰ হওঁ। এই প্ৰণালীটোক কিয় মূলতঃ নিৰীক্ষণৰ প্ৰণালী বোলা হয়?

***Or / নাইবা***

Define the method of residues in your own words. Why do some logicians regard this method as a method of deduction ? Explain. 2+4=6

তোমাৰ নিজৰ ভাষাত পৰিশেষ প্ৰণালীৰ সংজ্ঞা দিয়া। কিছুমান তৰ্কবিদে এই প্ৰণালীটোক কিয় নিগমনাত্মক বুলি বিচাৰ কৰে? ব্যাখ্যা কৰা।

25. What is Berkeley's subjective idealism ? On what grounds Berkeley has said that primary and secondary qualities are inseparable ? 2+4=6

বাৰ্কলিৰ আত্মনিষ্ঠ ভাৱবাদ কি? বাৰ্কলিয়ে কি যুক্তিত মুখ্য আৰু গৌণ গুণসমূহ অভিন্ন বুলি কৈছে?

*Or* / *নাইবা*

Critically discuss objective idealism of Hegel. 6

হেগেলৰ বস্তুনিষ্ঠ ভাৱবাদৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

26. Briefly discuss *any three* of the different elements involved in the mental stage of voluntary actions. 2×3=6

ঐচ্ছিক ক্ৰিয়াৰ মানসিক স্তৰত থকা বিভিন্ন উপাদানসমূহৰ *যিকোনো তিনিটাৰ* বিষয়ে চমু আলোচনা আগবঢ়োৱা।

*Or* / *নাইবা*

What do you mean by non-moral actions? Briefly explain *any five* non-moral actions. 1+5=6

অনৈতিক ক্ৰিয়া বুলিলে কি বুজা? *যিকোনো পাঁচটা* অনৈতিক ক্ৰিয়াৰ চমু ব্যাখ্যা আগবঢ়োৱা।

27. Critically explain ***any one*** of the following views : 6×1=6

নিম্নোক্ত মতসমূহৰ পৰা *যিকোনো এটাৰ* বিষয়ে সমালোচনাসহ ব্যাখ্যা আগবঢ়োৱা ঃ

*(i)* Religion is the source of morality.

ধৰ্ম হৈছে নৈতিকতাৰ উৎস।

*(ii)* Morality is the source of religion.

নৈতিকতা হৈছে ধৰ্মৰ উৎস।

*(iii)* Religion and morality are independent of each other.

ধৰ্ম আৰু নৈতিকতা পৰস্পৰ পৃথক।

———×———